জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪৫/২০২২

লোকনিৰ্মাণ (পথ) ৰিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

# ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজি আঁচনিৰ সলনি চি এম জি এছ ৱাই আঁচনি প্ৰৱৰ্তনৰ সিদ্ধান্ত

**দিছপুৰ, ৩ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি দিছপুৰস্থিত লোকনিৰ্মাণ বিভাগৰ কনভেনশ্যন আৰু ট্ৰেইনিং চেণ্টাৰত লোকনিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তা তথা জ্যেষ্ঠ বিষয়াসকলৰ সৈতে হোৱা এক বৈঠকত লোকনিৰ্মাণ (পথ) বিভাগৰ অধীনত ৰূপায়িত হৈ থকা বিভিন্ন প্ৰকল্পৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। এই পৰ্যালোচনা বৈঠকত মথাউৰি তথা পথ, প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা, বহি সাহায্যপ্ৰাপ্ত প্ৰকল্প আৰ আই ডি এফ, অসম দৰ্শন, অসম মালা, গুৱাহাটী মহানগৰৰ পথৰ কাম-কাজ, নতুন দলঙৰ প্ৰস্তাৱ ইত্যাদিৰ বিষয়ে সবিশেষ আলোচনা কৰা হয়।

বৈঠকত ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন আঁচনি বাহাল নৰখাৰ সিদ্ধান্ত লোৱা হয় আৰু ইয়াৰ পৰিৱৰ্তে এখন নতুন আঁচনি ৰূপায়ণৰ সিদ্ধান্ত লোৱা হয়। আনহাতে, পি এম জি এছ ৱাইৰ আৰ্হিৰে ৰাজ্যখনত চি এম জি এছ ৱাই আঁচনি ৰূপায়ণৰ সিদ্ধান্ত লোৱা হয়। বিভাগটোত পৰিকল্পিত সংশোধনী তথা নতুন পদক্ষেপ হাতত লোৱাৰ পৰিকল্পনা কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এতিয়াৰে পৰা ৰাজ্যখনৰ পথ নিৰ্মাণ ঘাইকৈ লোকনিৰ্মাণ (পথ) বিভাগে মুখ্যমন্ত্ৰী পথ পকীকৰণ আঁচনি, মুখ্যমন্ত্ৰী উন্নত পকীপথ নিৰ্মাণ আঁচনি, অসম মালা আৰু মথাউৰি পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত নিৰ্মাণ কৰা হ'ব বুলি কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে কাম সম্পূৰ্ণ কৰাৰ সাত দিনৰ ভিতৰত ঠিকাদাৰসকলে বিলৰ ধন লাভ কৰিব। বছৰৰ সকলো সময়তে খেলি-মেলিকৈ পথৰ পৰিকল্পনা আৰু প্ৰস্তাৱৰ ব্যৱস্থা বিলুপ্তকৰণ হ'ব আৰু ইয়াৰ পৰিৱৰ্তে প্ৰতিবছৰৰ এপ্ৰিল-মে' মাহত নতুন পথৰ প্ৰাক্কলন প্ৰস্তুত কৰা হ'ব। এই ব্যৱস্থাই বাৰিষাকাল সম্পূৰ্ণ হোৱাৰ পিছতে বিভিন্ন পথ প্ৰকল্পসমূহ সম্পূৰ্ণ কৰাত বিশেষভাৱে সহায় কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে কেৱল মাত্ৰ ৰোড এছেট মেনেজমেণ্ট ছিষ্টেমৰ পথসমূহহে নিৰ্মাণৰ বাবে অনুমোদন জনোৱা হ'ব। ইয়াৰ ব্যতিৰেকে পথৰ কাম হাতত লোৱা নহ'ব। বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰে ৰাজ্যখনৰ পথ আন্তঃগাঁথনিৰ দ্ৰুত উন্নয়ন সাধন কৰিব বিচাৰিছে, সেয়েহে চৰকাৰৰ এই লক্ষ্য বাস্তৱায়িত কৰাৰ দিশত মুখ্যমন্ত্ৰীয়ে বিভাগৰ সকলো বিষয়াক নিজৰ দায়িত্ব নিষ্ঠাৰে পালন কৰাৰ বাবে নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকতে মুখ্যমন্ত্ৰীয়ে বিভাগৰ দ্বাৰা প্ৰকাশ কৰি উলিওৱা 'পকেট বুক অন কোৱালিটি কণ্ট্ৰল' শীৰ্ষক গ্ৰন্থ এখনো আনুষ্ঠানিকভাৱে উন্মোচন কৰে।

**স্বাক্ষৰ / ৰঃভাঃ**

**৩-২-২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in